অসম :: চৰকাৰ

# কঠিয়াতলী আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যালয়

ৰেংবেং:: নগাওঁ

## বজাৰ/ঘাট/মীনমহল বন্দোবস্তিৰ নিবিদাৰ জাননী

ইয়াৰ দ্বাৰা সৰ্ব্ব সাধাৰণ ৰাইজক জনোৱা হয় যে, কঠিয়াতলী আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত নিম্নোক্ত বজাৰ/ঘাট/ মীনমহলবোৰ ১৯৯৪ চনৰ অসম পঞ্চায়ত আইনমতে ২০২৪-২৫ বৰ্ষৰ বাবে অৰ্থাত ইং ০১.০৭.২০২৪ তাৰিখৰ পৰা ৩০.০৬.২০২৫ তাৰিখলৈ এবছৰৰ বাবে নিবিদাযোগে বন্দোবস্তি দিয়া হব। বজাৰ/ঘাট/মীনমহল বন্দবস্তি পাবলৈ ইচ্ছুক প্ৰাৰ্থীৰ পৰা ৮.২৫ টকা (আঠ টকা পঁচিশ পইচা) ন্যায়ালয়ৰ শুল্ক লগোৱা লাৰ মোহৰযুক্ত থামত নিবিদা আহবান কৰা হল। নিবিদাসমূহ অহা ইং ২১/০৬/২০২৪ তাৰিখ দিনৰ ২ বজালৈকে আঞ্চলিক পঞ্চায়ত কাৰ্য্যালয়ত গ্ৰহণ কৰা হব আৰু সেইদিনাই নিবিদাকাৰী/নিবিদাকাৰীৰ প্ৰতিনিধিৰ সাক্ষাতত ৩ বজাত খোলা হব যদিহে অন্য কোনো অসুবিধা নাথাকে।

| ক্ৰমিক নং | বজাৰৰ নাম | চৰকাৰী নিৰিখ | আমানত ধন |
|---|---|---|---|
| ১ | কঠিয়াতলী অৰ্ধ সাপ্তাহিক বজাৰ | ১০৮৯৩৭৫.০০ | ১০৮৯৩৮.০০ |
| ২ | শিঙিমাৰী (সাপ্তাহিক) | ২১৫৫০৮.০০ | ২১৫৫১.০০ |
| ৩ | লুটুমাৰি চাৰিআলি বজাৰ(সাপ্তাহিক) | ১৯৫৮৩৩.০০ | ১৯৫৮৩.০০ |
| ৪ | লুটুমাৰি চাৰিআলি বজাৰ (দৈনিক) | ৪২১৬৯.০০ | ৪২১৭.০০ |
| ৫ | কচুৱা তিনিআলি বজাৰ(দৈনিক) | ১১৩৯৪৭.০০ | ১১৩৯৫.০০ |
| ৬ | কচুৱা তিনিআলি বজাৰ(সাপ্তাহিক) | ১৩৫২৮২.০০ | ১৩৫২৮.০০ |
| ৭ | কচুৱা সাপ্তাহিক বজাৰ | ৭০১৫৫.০০ | ৭০১৬.০০ |
| ৮ | কচুৱা দৈনিক বজাৰ | ৬৫৪৭৭.০০ | ৬৫৪৮.০০ |
| ৯ | কঠিয়াতলী দৈনিক বজাৰ | ১১২৯৬১.০০ | ১১২৯৬.০০ |
| ১০ | ৰাঙলু বজাৰ (আঁধ সাপ্তাহিক) | ৫০১৫১.০০ | ৫০১৫.০০ |
| ১১ | মঙ্গলবৰীয়া বজাৰ | ৮২১৪.০০ | ৮২১.০০ |
| ১২ | চৰাইহাগী চাৰিআলি দৈনিক বজাৰ | ২৬৩০৩.০০ | ২৬৩০.০০ |
| ১৩ | বৈঠালাংচু দৈনিক বজাৰ | ৩১০৫৫.০০ | ৩১০৬.০০ |

| ক্রমিক নং | মীনমহল | চৰকাৰী নিৰিখ | আমানত ধন |
|---|---|---|---|
| ১ | চান কুমাৰী, ভেৰণি,ভলুকাজন | ৩১৬৯৪.০০ | ৩১৬৯.০০ |

**বজাৰ/ঘাট/মীনমহল আদিৰ নিবিদাৰ চৰ্তাৱলীঃ-**

## প্ৰথম খণ্ড

১) বজাৰ/ঘাট/মীনমহল/ পাউণ্ড বন্দোবস্তিৰ বাবদ পূৰ্ব্বতে টকা দিবলৈ বাকী থকা লোক আৰু তেওঁৰ পৰিয়ালৰ সদস্যই নিবিদা দাখিল কৰিব নোৱাৰিব। বৰ্তমান বজাৰ/ঘাট/মীনমহল/পাউণ্ড চলাই থকা মহলদাৰেও নিবিদা দাখিল কৰিবৰ বাবে চলিত বছৰৰ বাকী থকা সকলো কিস্তি আদায় দিব লাগিব।

২) নিৰ্দিষ্ট ব্যক্তি বিশেষৰ পৰিৱৰ্তে কোনো শিক্ষানুষ্ঠান, সামাজিক অনুষ্ঠান, সন্স্থা,সমিতি বা তেনেধৰণৰ অনুষ্ঠান আদিৰ নামত নিবিদা দাখিল কৰিব নোৱাৰিব আৰু এনে নিবিদা পোন পতিয়াকৈ নাকচ কৰা হব।

৩) আঞ্চলিক পঞ্চায়তক ৩০০.০০ টকা জমা দি নিবিদা ফ্ৰম আৰু আনুসংগিক নথি পত্ৰ লব লাগিব।

৪) প্ৰতি বজাৰ/ঘাট/মীনমহলৰ বাবে পৃথকে পৃথকে নিবিদা দাখিল কৰিব লাগিব।

৫) আঞ্চলিক পঞ্চায়তে যোগান ধৰা মূল নিবিদাৰ ফ্ৰৰ্মটিহে নিবিদা দাখিল কৰিব লাগিব। কোনো ক্ষেত্ৰতে নিবিদা ফৰ্মৰ ফটোষ্টেত কপিৰ নিবিদা গ্ৰহণ কৰা নহব। কোনো নিবিদা কাৰীয়ে ফটোষ্টেট কপিত নিবিদা দাখিল কৰিলে আঞ্চলিক পঞ্চায়তৰ নামত ৩০০.০০ টকা জমা দিয়াৰ ৰচিদ নিবিদাৰ লগত দাখিল কৰিব লাগিব।

৬) প্ৰত্যেক নিবিদা কাৰী নিবিদা ফৰ্মত নিজৰ সম্পূৰ্ণ নাম, ঠিকনা, ও আৰক্ষী থানা উল্লেখ কৰিব লাগিব। নিবিদা কাৰী উক্ত জিলাৰ বাসিন্দা হব লাগিব।

৭) প্ৰত্যেক নিবিদা কাৰীয়ে নিবিদাৰ লগত প্ৰয়োজনীয় কোটফ্ৰি আৰু আমানতৰ ধন জমা দিয়াটো বাধ্যতামূলক।নিবিদা দাখিল কৰাৰ পাছত কোনো নিবিদা কাৰীয়ে নিবিদা উঠাই লব নোৱাৰিব। তেনে কৰিলে অথবা কোনো বন্দোবস্তি প্ৰাপ্ত নিবিদা কাৰীয়ে বন্দোবস্তি গ্ৰহণ নকৰিলে তেওঁলোকৰ আমানতৰ ধন বাজেযাপ্ত কৰা হব।

৮) নিবিদা দাখিলৰ ও খোলাৰ দিনা চৰকাৰী বন্ধৰ দিন ঘোষণা কৰিলে পৰবৰ্তী কাৰ্য্যালয় খোলাৰ দিনা নিবিদা গ্ৰহণ কৰা হব।

৯) কোনো বজাৰ/ঘাট/মীনমহলৰ/পাউন্ডৰ নিবিদাৰ মূল্য উপযুক্ত বিবেচিত নহলে পুনৰ নিবিদা আহবান কৰা হব।

১০) সকলো বজাৰ/ঘাট/মীনমহলৰ/পাউন্ডৰ ক্ষেত্ৰত সৰ্বোচ্চ নিবিদা কাৰীৰ নিবিদা বিবেচনাৰ বাবে গ্ৰহণ কৰা হব। যদি কোনো সৰ্বোচ্চ নিবিদা কাৰীয়ে নিবিদাৰ লগত প্ৰয়োজনীয় নথি পত্ৰ (কোটফ্ৰি আৰু আমানতৰ ধন বাদ দি) দাখিল কৰা নাছিল, তেনে ক্ষেত্ৰত সেই নিবিদা কাৰীক সেই নথি পত্ৰ সমূহ জমা দিবলৈ সৰ্বোচ্চ ৩ (তিনি) দিনৰ সময় দিয়া হব। যদি সেই নিবিদা কাৰীয়ে, নথি পত্ৰ সমূহ নিদ্ধাৰিত সৰ্বোচ্চ ৩ (তিনি) দিনৰ ভিতৰত দাখিল কৰিব নোৱাৰে, তেনে ক্ষেত্ৰত তেওঁৰ নিবিদা নাকচ কৰা হব আৰু লগতে আমানতৰ ধন ও ধন বাজেয়াপ্ত কৰা হব আৰু পৰবৰ্তি উচ্চ নিবিদা কাৰীক উপৰোক্ত চৰ্ত সাপেক্ষে বন্দোবস্তিৰ সুবিধাপ্ৰদান কৰা হব।

## দ্বিতীয় খণ্ড

১১) ক) প্ৰত্যেক নিবিদা কাৰীয়ে নিবিদাৰ লগত (১,০০,০০০.০০ (এক লাখ) টকাৰ ওপৰৰ বজাৰ/ঘাট/মীনমহলৰ/পাউন্ড তালিকাত উল্লেখ কৰা মতে ) নিদিষ্ট বজাৰ/ঘাট/মীনমহলৰ/পাউন্ড খনৰ চৰকাৰী নিৰিখৰ ১০% (দহ শতাংশ) আমানতৰ ধন হিচাবে জিলা পৰিষদৰ মূখ্য কাৰ্যবাহীৰ বিষয়াৰ আধিত (Pledge) কৰি অসম কো-অপাৰেতিভ এপেক্স বেংক, অসম গ্ৰামীন বিকাশ বেংক অথবা যিকোনো ৰাষ্ট্ৰীয়কৃত বেংকৰ নিন্মতম এবছৰ (Fixed Deposit) নিবিদাৰ লগত গাঠিঁ দিব লাগিব। অনুসুচিত জাতি, অনুসুচিত জন-জাতি, ৫০% (পঞ্চাচ শতাংশ) আমানতৰ ধন ৰেহাই পাব। উক্ত জাতিৰ প্ৰমাণ পত্ৰৰ পত্ৰায়িত প্ৰতিলিপি নিবিদাৰ লগত গাঠিঁ দিব লাগিব।

খ) প্ৰত্যেক নিবিদা কাৰীয়ে নিবিদাৰ লগত (১,০০,০০০.০০ (এক লাখ) টকাৰ ওপৰৰ বজাৰ/ঘাট/মীনমহলৰ/পাউন্ড তালিকাত উল্লেখ কৰা মতে ) নিদিষ্ট বজাৰ/ঘাট/মীনমহলৰ/পাউন্ড খনৰ চৰকাৰী নিৰিখৰ ১০% (দহ শতাংশ) আমানতৰ ধন হিচাবে আঞ্চলিক পঞ্চায়তৰ প্ৰদেন সচিব তথা কাৰ্য্যবাহী বিষয়াক আধিত (Pledge) কৰি অসম কো-অপাৰেতিভ এপেক্স বেংক, অসম গ্ৰামীন বিকাশ বেংক অথবা যিকোনো ৰাষ্ট্ৰীয়কৃত বেংকৰ নিন্মতম এবছৰ (Fixed Deposit) নিবিদাৰ লগত গাঠিঁ দিব লাগিব। অনুসুচিত জাতি, অনুসুচিত জন-জাতি, ৫০% (পঞ্চাচ শতাংশ) আমানতৰ ধন ৰেহাই পাব। উক্ত জাতিৰ প্ৰমাণ পত্ৰৰ পত্ৰায়িত প্ৰতিলিপি নিবিদাৰ লগত গাঠি দিব লাগিব।

১২) নিবিদাকাৰীয়ে নিবিদাৰ লগত ৰাজপত্ৰিত বিষয়াৰ দ্বাৰা প্ৰত্যায়িত পাছপৰ্ট আকাৰৰ ফটো গাঠি দিব লাগিব।

১৩) নিবিদাকাৰী আৰু জামিন দাৰে সংশ্লিষ্ট জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তৰ পৰা কৰ মুক্ত, পূৰ্বৰ বাকীদাৰ (Defaulter) নোহোৱাৰ প্ৰমাণ পত্ৰ নিবিদাৰ লগত গাঠি দিব লাগিব।

১৪) নিবিদা কাৰী আৰু জামিনদাৰে নিবিদা মূল্যৰ ওপৰত মাটি জামিন হিচাপে দিব লাগিব। জামিন দিয়াৰ মাটিৰ চলিত বৰ্ষ (ক) জমাবন্দি (খ) উক্ত মাটি সকলো দিশৰ পৰা দায়মুক্ত প্ৰমাণ পত্ৰ আৰু মাটিৰ মূল্যৰ প্ৰমাণ পত্ৰ সংশ্লিষ্ট উপায়ুক্ত/মহকুমাধিপতি/ৰাজহ চক্ৰ বিষয়াৰ পৰা লৈ নিবিদাৰ লগত গাঠি দিব লাগিব। নিবিদাত জামিন দাৰেও চহী ,কৰিব লাগিব। মাটিৰ তথ্য পাটি

পৰিবৰ্তে নিবিদা মূল্যৰ ওপৰত বেংক গেৰেন্টি তথ্যও জামিন হিচাবে গ্ৰহণ যোগ্য হব। উক্ত মাটি অন্য এখন বজাৰ/ঘাট/মীনমহলৰ/পাউন্ড ৰ বাবে জামিন হিচাবে দিব নোৱাৰিব। একেজন জামিনদাৰে/নিবিদাকাৰীয়ে অন্য এখন বজাৰ/ঘাট/মীনমহলৰ/পাউন্ড ৰ জামিনদাৰ হব নোৱাৰিব। জামিন দিব বিছৰা মাটিৰ সহ-পট্টাদ্বাৰ থাকিলে তেওঁলোকৰ সন্মতি/মতামত দাখিল কৰিব লাগিব।

১৫) নিবিদাৰ লগত গাঠি দিয়াৰ নথি পত্ৰবোৰ সত্যবুলি নিবিদা কাৰী আৰু জামিনদাৰে Affidavit দাখিল কৰিব লাগিব।

১৬) বজাৰ/ঘাট/মীনমহলৰ/পাউন্ড ৰ কৃষ্টিৰ ১,০০,০০০.০০ (এক লাখ) টকাৰ ওপৰত বন্দোবস্তি প্ৰাপ্ত নিবিদাকাৰীয়ে সময়মতে জিলা পৰিষদ কাৰ্য্যালয়ত আৰু ১,০০,০০০.০০ (এক লাখ) টকাৰ তলৰ ক্ষেত্ৰত আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যালয়ত ২০ নং দফাট উল্লেখ কৰা অনুযায়ি জমা দিব লাগিব।

১৭) প্ৰথম আৰু দ্বিতীয় খণ্ডৰ ১ নং দফাৰ পৰা ১৬ নং দফাৰ সন্নিবিষ্ট চৰ্তাৱলি পূৰণ নহলে নিবিদা বাতিল কৰা হব।

## তৃতীয় খণ্ড

১৮) অসম পঞ্চায়ত (বিত্তিয়) নিয়মাৱলী ২০০২ ৪৭(১১) আৰু ৪৭(১৬) বিধি মতে নিবিদা কাৰীয়ে বজাৰ/ঘাট/মীনমহলৰ/পাউন্ডৰ বন্দোবস্তি পোৱাৰ এসপ্তাহৰ ভিতৰত নিৰ্ধাৰীত দলিল (Stamp Paper) ত চুক্তি পত্র উপ পঞ্জীকৰ কাৰ্য্যালয়ত পঞ্জীয়ন কৰি দাখিল কৰিব লাগিব। এই ক্ষেত্ৰত দলিল (Stamp Paper) আৰু পঞ্জীয়নৰ খৰচ নিবিদা কাৰীয়ে বহন কৰিব লাগিব।

১৯) জামিনত দিয়া অথবা Bank Guaranty কোনো ব্যক্তি, অনুষ্ঠানৰ ওচৰত বিক্রি বা বন্ধকী দিব নোৱাৰিব কৃষ্টি টকা আদায় দিব নোৱাৰিলে জামিন দিয়া মাটি আয়ন মতে বাজেয়াপ্ত কৰা হব। লগতে বাকী জায় গোচৰ ৰোজো কৰা হব।

২০) বন্দোবস্তি পোৱাৰ নিবিদা কাৰীয়ে বন্দোবস্তি মূল্যৰ ৩০% (তিৰিশ শতাংশ) জামিন (Security) হিচাবে বন্দোবস্তি জাননী প্ৰেৰণৰ এসপ্তাহৰ ভিতৰত জিলা পৰিষদ আঞ্চলিক পঞ্চায়তত জমা দিব লাগিব। বন্দোবস্তি বছৰৰ পহিলা জুলাই মাহৰ পৰা আৰম্ভ কৰি প্ৰতি মাহৰ ৭ তাৰিখৰ ভিতৰত বন্দোবস্তি মাহিলী ধন জমা দিব লাগিব। একেৰাহে ২ মাহ বন্দোবস্তি ধন জমা দিব নোৱাৰিলে বন্দোবস্তি নাকচ কৰা হব। জামিন (পপপপ)জমাৰ টকাৰ বাকী থকাৰ মাহ বোৰৰ শেষ কিস্তিত চামিল(ুপপপ) কৰা হব।

২১) জামিন জমা (Security Deposit) কিস্তিৰ টকা বেংক ড্ৰাফ্টৰ যোগেদিহে গ্ৰহণ কৰা হব। কোনো কাৰণতে নগত টকা গ্ৰহণ কৰা নহব।

২২) ফেৰী/ঘাট বন্দোবস্তিৰ ক্ষেত্ৰত আভ্যন্তৰিণ জল পৰিবহন কৰা নিয়ম-নীতি জিলা পৰিষদ/আঞ্চলিক পঞ্চায়তে বন্দোবস্তি দিয়া ফেৰী/ঘাটৰ ক্ষেত্ৰতো ভাল থাকিব। মীনমহল বন্দোবস্তি পোৱাৰ মহলদাৰে মীনমহল চলোৱাৰ ক্ষেত্ৰত পচলিত মীন বিভাগৰ নীতি মানি চলিব লাগিব।

২৩) বৈধ্য পঞ্জীয়ন থকা নাও/ফেৰীৰ সৈতে বাধ্যতামূলক সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা নিবিদা কাৰী সকলেহে ফেৰী/ঘাটৰ নিবিদা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পৰিব। নিবিদা কাৰীয়ে নিবিদাৰ প্ৰ-পত্ৰৰ সৈতে উপযুক্ত আভ্যন্তৰিণ জল পৰিবহন বিভাগৰ কৰ্তিপক্ষই প্ৰদান কৰা নাও/ফেৰীখনৰ সেহতীয়া (Latest) Fitness Certificate জমা দিয়াটো বাধ্যতামূলক।

২৪) ফেৰী জৰিয়তে যাতায়ত কৰা যাত্ৰীৰ সুৰক্ষাৰ্থে ফেৰী/ঘাটৰ নিবিদাকাৰীয়ে নিম্ন লিখিত চৰ্ত সমূহ মানি চলিব লাগিব।

ক) নিবিধাকাৰীয়ে নিবিধাৰ প্ৰ-পত্ৰৰ লগতে এক Undertaking প্ৰদান কৰিব লাগিব, যত প্ৰতিকুল বতৰত ফেৰী ব্যৱস্থা বন্ধ থাকিব বুলি উল্লেখ থাকিব, অন্যথা তেওঁৰ নিবিদাৰ আবেদন নাকচ কৰা হব। কোনো মহলদাৰে উক্ত Undertaking ৰ চৰ্ত উলংঘা কৰিলে তেওঁৰ বন্দোবস্তিৰ নাকচ কৰা হব।

খ) বিপদকালীন পৰিস্তিতিৰ বাবে মহলদাৰে প্ৰতিজন যাত্ৰীৰ বিপৰীতে পৰ্যাপ্ত পৰিমাণে Life jacket/Life Raft ব্যৱস্থা নাওঁ/ফেৰীখনত থকাটো সু-নিশ্চিত্ব কৰিব লাগিব।

গ) মহলদাৰ জনে নাওঁ/ফেৰীখনৰ বহন ক্ষমতা সাপেক্ষে নাওঁ/ফেৰীখনত কঢ়িওৱা যাত্ৰীৰ সংখ্যাৰ হকে বিমাৰ সুবিধা কৰাটো প্ৰয়োজনীয়।

ঘ) মহলদাৰ জনে কোনো ক্ষেত্ৰতে নাওঁ/ফেৰী থনৰ বহন ক্ষমতাতকৈ অধিক যাত্ৰী বহন কৰিব নোৱাৰিব।

২৫) হাট/ঘাট/মীনমহল/পাউণ্ড বন্দোবস্তি পোৱাৰ নিবিদাকাৰীয়ে অন্য কোনো ব্যক্তি বা অনুস্থানলৈ হাট/ঘাট/মীনমহল/পাউণ্ড হস্তান্তৰ (Sublet) কৰিব নোৱাৰিব।

২৬) যদি কোনো নিবিদাকাৰীয়ে উচ্চ হাৰত নিবিদা দাখিল কৰি বন্দোবস্তি পূৰ্বে নিবিদা উঠাই লয় তেনেহলে উক্ত নিবিদাকাৰী আমানতৰ ধন Forfeit হব আৰু আগন্তক পাচ বছৰলৈ কোনো নিবিদা দাখিল কৰিব নোৱাৰিব।

২৭) পঞ্চায়ত আৰু গ্ৰামউন্নয়ন বিভাগৰ যিকোনো বিষয়াই হাট/ঘাট/মীনমহল/পাউণ্ড ৰ বন্দোবস্তি বা পৰিচালনাৰ লগত জৰিত সকলো তথ্য-পাটি, কাগজ-পত্ৰ, ৰেজিষ্টাৰ ইত্যাদিৰ পৰিদৰ্শন বা তদন্ত কৰিব পাৰিব।

২৮) নিবিদা জাননী আৰ্হিব তৃতীয় খণ্ডৰ ১৯ নং দফাৰ পৰা ৩২ নং দফালৈ সন্নিবিষ্ট চৰ্তাৱলী মানি নচলিলে বন্দোবস্তি বাতিল কৰা হব।

২৯) প্ৰত্যেক নিবিদাকাৰীয়ে নিম্নলিখিত চৰ্তসমূহ মানি চলিব লাগিব-

ক) হাটত বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা নিবিদাকাৰীয়ে কৰিব লাগিব।

খ) হাটৰ ভিতৰত থকা জাবৰ বা গেলা-পঁচা বস্তু নিজৰ খৰচত নিবিদাকাৰীয়ে হাটৰ সামাৰ পৰা কমেও ৬০০ মিটাৰ জনবসতিৰ আঁতৰত পেলাব লাগিব, যাতে ওচৰৰ বসতি কৰা লোকৰ আপত্তি নাথাকে বা অনিষ্ট নহয়।

গ) হাটত গেলা-পঁচা, মাছ-মাংস বিক্ৰী কৰিলে মহলদাৰে তত্ক্ষণাত বন্ধ কৰিব আৰু ওচৰত থকা জনস্বাস্থ্য বিষয়াক জনাব লাগিব। লগতে বজাৰত গেলা-পঁচা বস্তু/ৰাইজৰ স্বাস্থ্য হানি হোৱা বস্তু / সামাজিক পৰিবেশ ক্ষতি হোৱা বস্তু বিক্ৰী কৰিব নোৱাৰিব।

ঘ)জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ অনুমোদিত খাজনাৰ (মাচুল) নিৰখত হাট/ঘাট /মীনমহল/পাউণ্ডৰ এলেকাত প্ৰকাশ্য এখন জাননী ফলক (নোটিচ বৰ্ড) ত সহজে পঢ়িব পৰাকৈ লিখি ৰাখিব লাগিব।

ঙ) চৰকাৰী নাইবা পঞ্চায়তৰ কোনো বস্তু কিনা-বেচা হলে উক্ত বস্ত্ৰ ওপৰত কোনো খাজনা লব নোৱাৰিব

চ) হাট বজাৰৰ যি অংশত গৰু,ছাগলী,হাঁহ, কুকুৰা আৰু অন্যান্য জীৱ-জন্তৰ বেচা-কিনা হয়, সেই অংশত বজাৰৰ মহলদাৰে গৰু,ছাগলী,হাঁহ,কুকুৰা আৰু অন্যান্য জীৱ-জন্তুৰ বাবে পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব আৰু লগতে সেই অংশৰ পৰিস্কাৰ পৰিচন্নতাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

কোভিড-১৯ মহামাৰীৰ পৰা সুৰক্ষা অৰ্থে কেন্দ্ৰীয় তথা ৰাজ্যিক চৰকাৰৰ দ্বাৰা বিভিন্ন সময়ত জাৰি কৰা অধিসূচনা আৰু নিয়মাৱলী সমূহ মানি চলাটো নিবিদাকাৰীয়ে সুনিশ্চিত কৰিব লাগিব। সংশ্লিষ্ট মুখ্য কাৰ্যবাহী বিষয়া তথা খণ্ড উন্নয়ন বিষয়াই এই ক্ষেত্ৰত নিবিদাকাৰীক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান তথা সময়ে সময়ে হাট বজাৰ সমূহ পৰ্য্যবেক্ষণ কৰিব।

৩০) জিলা নাইবা আঞ্চলিক পঞ্চায়তৰ কোনো কৰ্তৃত্বশীল বিষয়াই হাট,ঘাট, মীনমহল,পাউণ্ড আদি পৰিদৰ্শন কৰিব আৰু সেই সময়ত মহলদাৰে নিজে নাইবা তেওঁৰ উপযুক্ত প্ৰতিনিধি উক্ত বিষয়াৰ লগত থাকিব লাগিব

৩১) সাপ্তাহিক, অৰ্ধসাপ্তাহিক হাটৰ ঠাইত দৈনিক বজাৰৰ মহলদাৰে সাপ্তাহিক,অৰ্দ্ধ সাপ্তাহিক হাট বজাৰৰ খাজনা আদায় কৰিব নোৱাৰিব।৩২) মহলদাৰে এই খাজনা সাপ্তাহিক বজাৰৰ১ (এক) কিলোমিটাৰ দূৰত্বলৈ তুলিব পাৰিব আৰু দৈনিক বজাৰৰ ৫০০ মিটাৰৰ দূৰত্বলৈ তুলিব পাৰিব।

৩৩) মাননীয় NGT (National Green Tribunal) ৰ ১২.১২.২০১৮ ইং তাৰিখৰ O.A. No.606/2018 ৰ নিৰ্দেশ মৰ্মে পালন কৰিবলগীয়া Soild Waste Management Rules 2016 আৰু Plastic Waste Management Rule 2016 ত অন্তৰ্ভূক্ত কৰা চৰ্ত সমূহ মহলদাৰজনে বজাৰ ভিত্তিক গোটা জাৱৰ আৰু প্লাষ্টিক জাৱৰ ব্যৱস্থাপনা কমিটি (Market wise soild waste and plastic waste management committee) ৰ সহযোগত পালন কৰিব লাগিব।

৩৪) বন্দোবস্তিপ্ৰাপ্ত নিবিদাকাৰীক জিলা পৰিষদ, আঞ্চলিক পঞ্চায়তৰ তৰফৰ পৰা পৰিচয় পত্ৰ (Identity Card) দিয়াৰ ব্যৱস্থা কৰা হব

**নং: কে.এ.পি/৩৩/অংশ -৩/২০২০/২১/১৭০২** **তাং:-০১/০৬/২০২৪**

---

১) প্ৰধান সচিব ,পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ,অসম ,দিছপুৰ,গুৱাহাটী ।
২) আয়ুক্ত ও সচিব ,পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ অসম ।
৩) আয়ুক্ত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন,জুৰিপাৰ,অসম,দিছপুৰ,গুৱাহাটী-৬
৪) সংশ্লিষ্ট জিলা উপায়ুক্ত ।
৫) সংশ্লিষ্ট জিলা পৰিষদৰ সভাপতি ।
৬) জিলা তথ্য আৰু জনসংযোগ বিষয়াক অনুৰোধ কৰা হয় যে দুখন অসমৰ বহুল প্ৰচাৰিত দৈনিক বাতৰি কাকতত নিবিদা জাননী প্ৰচাৰ কৰিবলৈ অনুৰোধ জনোৱা হল
৭/DIO,NIC, জিলা আয়ুক্ত কাৰ্যালয় নগাঁও ,তেখেতক নিবিদা জাননী জিলা Website ত বহুল প্ৰসাৰ কৰিবৰ বাবে অনুৰোধ কৰা হল
৮) সংশ্লিষ্ট মুখ্য কাৰ্য্যবাহী বিষয়া। ।
৯) সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়া ।
১০) সংশ্লিষ্ট খণ্ড উন্নয়ন বিষয়া। ।
১১) সংশ্লিষ্টআৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া
১২) সংশ্লিষ্ট গাওঁ পঞ্চায়তৰ সভাপতি/সম্পাদকলৈ বহুল প্ৰচাৰৰ্থে ।
১৩) সংশ্লিষ্ট বজাৰ/হাট/মিনমহল মহলদাৰ ।
১৪) নোতিচ বোৰ্ড

**কাৰ্যবাহী বিষয়া**

**কঠিয়াতলী আঞ্চলিক পঞ্চায়ত**
**ৰেংবেং নগাওঁ**